**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-09-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::

১। ভগৱান শ্ৰীকৃষ্ণৰ জন্ম উপলক্ষে জন্মাষ্টমী উৎসৱ আজি সমগ্ৰ দেশতে ধৰ্মীয় বিশ্বাস আৰু উলহ মালহেৰে পালন কৰা হৈছে।

২। উপৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰীয়ে ই অ' এছ-০৫ নামৰ কৃত্ৰিম উপগ্ৰহটো কঢ়িয়াই নিয়া জি এছ এল ভি - এফ-১৭ৰ সফল উৎক্ষেপনৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা- ইছ্ৰোক অভিনন্দন জ্ঞাপন কৰিছে।

৩। নতুন দিল্লীত আজিৰে পৰা ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ মুখ্য ন্যায়াধীশসকলৰ মঞ্চৰ সন্মিলন অনুষ্ঠিত হৈছে।

৪। নেপাল আৰু তীববতত হঠাতে অহা প্ৰলয়ংকৰী বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৮২ হৈছে। ***আৰু***

৫। ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মহিলা টি-টুৱেণ্টি এছিয়া কাপ ২০২৬ ৰ গ্ৰুপ বিৰ এখন খেলত আজি সংযুক্ত আৰব আমিৰ শ্বাহিয়ে ইন্দোনেছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ভগৱান শ্ৰীকৃষ্ণৰ জন্ম উপলক্ষে জন্মাষ্টমী উৎসৱ আজি সমগ্ৰ দেশতে ধৰ্মীয় বিশ্বাস আৰু উলহ মালহেৰে পালন কৰা হৈছে। উত্তৰ প্ৰদেশৰ মথুৰা আৰু বৃন্দাবন, গুজৰাটৰ দ্বাৰকাত মুখ্যত বিশেষভাৱে এই উদযাপন আয়োজন কৰা হৈছে। এই উপলক্ষে দেশৰ ৰাজধানী দিল্লীতো বিভিন্ন মন্দিৰসমূহ ফুল আৰু পোহৰৰ সাজসজ্জাৰে সজাই তোলা হৈছে। বিৰলা মন্দিৰ, কৈলাশ আৰু পাঞ্জাবীবাগৰ ইস্কন মন্দিৰ, দ্বাৰকাৰ দ্বাৰকাধীশ মন্দিৰত অনাড়ম্বৰভাৱে শ্ৰীকৃষ্ণৰ জন্মোৎসৱ উদযাপন কৰা হৈছে। মন্দিৰৰ লগতে বাসগৃহবোৰো শ্ৰীকৃষ্ণৰ জীৱনৰ বিভিন্ন চিত্ৰৰে সজাই তোলা হৈছে। জন্মাষ্টমী উপলক্ষে ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক শুভেচ্ছা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া এটা বাৰ্তাত শ্ৰীকৃষ্ণৰ জীৱন আৰু শিকনিসমূহে দেশৰ সংস্কৃতি আৰু দাৰ্শনিক ঐতিহ্যক নতুন মাত্ৰা প্ৰদান কৰিছে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শ্ৰীকৃষ্ণৰ ঐশ্বৰিক বাৰ্তাত নিস্বাৰ্থ কৰ্মৰ গভীৰ প্ৰেৰণা নিহিত হৈ আছে, যি মানৱতাক অহৰহ পথ প্ৰদৰ্শন কৰি আহিছে।

শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে গকুল আৰু বৃন্দাবনতো মন্দিৰ আৰু বাসগৃহসমূহ সজাই পৰাই তোলা হৈছে। অসমতো ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আজি পৰম্পৰাগত ৰীতি-নীতিৰে উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হৈছে।

জন্মাষ্টমী উপলক্ষে ৰাজ্যৰ সত্ৰ-নামঘৰ আৰু মন্দিৰসমূহৰ লগতে ঘৰে ঘৰে ব্যাপক আয়োজন চলিছে। ৰাজ্যখনৰ চৌদিশ কৃষ্ণ বন্দনাৰে মুখৰিত হৈ উঠিছে। উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰতো বৰ্ণাঢ্য কাৰ্যসূচীৰে জন্মাষ্টমী উদ্যাপন কৰা হৈছে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে বৰপেটা সত্ৰত পুৱাৰ প্ৰসঙ্গৰ পৰা আৰম্ভ কৰি মাজনিশালৈ সত্ৰীয়া পৰম্পৰা অনুসৰি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি পাটবাউসীৰ শ্ৰীশ্ৰী শংকৰদেৱ থান সত্ৰ, গণককুছি সত্ৰতো সত্ৰীয়া নীতি-নিয়মেৰে জন্মাষ্টমী পালন কৰা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় ৩০০ শতাধিক নামঘৰত জন্মাষ্টমীৰ আয়োজন কৰা হৈছে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ভাৰতীয় মহাকাশ গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী আৰু অভিযন্তাসকলক ই অ' এছ্-০৫ নামৰ কৃত্ৰিম উপগ্ৰহটো কঢ়িয়াই নিয়া জি এছ্ এল ভি - এফ-১৭ৰ সফল উৎক্ষেপনৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছ্‌ৰোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰতৰ প্ৰথমটো ইমেজিং কৃত্ৰিম উপগ্ৰহ ই অ' এছ্-০৫ জিঅ' চিংক্ৰোনাইজ কক্ষপথৰ পৰা সফল উৎক্ষেপন দেশৰ মহাকাশ যাত্ৰাৰ এটা উল্লেখনীয় সফলতা। শ্ৰীৰাধাকৃষ্ণণে লগতে কয় যে ই ভাৰতৰ বাবে এক গৌৰৱৰ মুহুৰ্ত।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ই অ' এছ্-০৫ নামৰ কৃত্ৰিম উপগ্ৰহটো কঢ়িয়াই নিয়া জি এছ্ এল ভি - এফ-১৭ৰ সফল উৎক্ষেপনৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছ্‌ৰোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে এই সফল উৎক্ষেপনৰ জৰিয়তে ভাৰতৰ মহাকাশ খণ্ডৰ উৎকৃষ্টতা, উদ্ভাৱনী শক্তি আৰু ক্ৰমবৰ্ধমান সামৰ্থ্যৰ প্ৰতিফলন ঘটা বুলি মত প্ৰকাশ কৰে। ইছ্‌ৰো আৰু ভাৰতীয় উদ্যোগৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পাই অহা সহযোগিতাই দেশখনৰ মহাকাশ আঁচনিসমূহলৈ নতুন শক্তিৰ যোগান ধৰা বুলিও উল্লেখ কৰি এই সফলতাক তেওঁ মহাকাশ গৱেষণা সংস্থাটোৰ বৃহৎ সাফল্য তথা দেশবাসীৰ বাবে গৌৰৱৰ কাৰণ বুলি অভিহিত কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও ই অ' এছ্-০৫ নামৰ কৃত্ৰিম উপগ্ৰহটোৰ সফল উৎক্ষেপনৰ বাবে ইছ্‌ৰোৰ শলাগ লৈছে। এই সফল উৎক্ষেপনৰ ফলত গ্ৰহটোৰ গতিবিধি নিৰীক্ষণৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থ্য অধিক শক্তিশালী হৈ উঠাৰ লগতে দেশখনৰ মহাকাশ সম্পৰ্কীয় আঁচনিসমূহৰ সামৰ্থ্য বৃদ্ধি পাব বুলি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

একেদৰে বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙেও উপগ্ৰহটোৰ সফল উৎক্ষেপনৰ বাবে ইছ্‌ৰোক অভিনন্দন জনাইছে।

০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ কাইলৈ তামিলনাডুৰ চেন্নাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে ৰাওনা হ'ব। ভ্ৰমণকালত উপৰাষ্ট্ৰপতিগৰাকীয়ে ভালভুলাৰ আৰু গাথনিগত হৃদৰোগৰ চিকিৎসাক আগুৱাই নিয়াৰ বাবে উৎসৰ্গিত ৰাষ্ট্ৰীয় শৈক্ষিক সভা ইণ্ডিয়া-ভালভছ্ ২০২৬ত অংশগ্ৰহণ কৰাৰ লগতে চেন্নাইৰ গুইন্দিত ইণ্ডিয়া-ভালভছ্ ৰেজিষ্ট্ৰী মুকলি কৰিব। তেওঁ ইয়াৰোপৰি দিনামালাৰ বাতৰি কাকতৰ ৭৫ বছৰ উপলক্ষে এটা ডাক টিকট উন্মোচন অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

০০০০

নতুন দিল্লীত আজিৰে পৰা ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ মুখ্য ন্যায়াধীশসকলৰ মঞ্চৰ সন্মিলন অনুষ্ঠিত হৈছে। এই সন্মিলনত ব্ৰিকছৰ সদস্য-ৰাষ্ট্ৰসমূহৰ লগতে সহযোগী দেশসমূহৰ পৰাও মুখ্য ন্যায়াধীশ, সৰ্বোচ্চ ন্যায়ালয়ৰ অধ্যক্ষ আৰু ন্যায়িক খণ্ডৰ জ্যেষ্ঠ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছে। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ আতিথ্যৰে আয়োজিত এই সন্মিলনৰ আজিৰ প্ৰথমটো দিনত ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে ৰাছিয়া, চীন, ইজিপ্ত, ইণ্ডোনেছিয়া, সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ, বেলাৰুচ, কাজাখস্তান, দক্ষিণ আফ্ৰিকা, ইৰান আৰু উজবেকিস্তানৰ ন্যায়িক প্ৰতিনিধি দলৰ মুৰব্বীসকলৰ সৈতে সুকীয়াকৈ দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে। এনে বৈঠকত সংশ্লিষ্ট দেশসমূহৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত ন্যায়িক বিষয়সমূহক লৈ প্ৰত্যক্ষ মত বিনিময় তথা আলোচনা হোৱাৰ লগতে এই দ্বিপাক্ষিক বৈঠকসমূহে অংশগ্ৰহণকাৰী দেশসমূহৰ ন্যায়পালিকাৰ মাজত সম্পৰ্ক তথা সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে তিনিদিনীয়াকৈ আয়োজিত এই সন্মিলনে অংশগ্ৰহণকাৰী ন্যায়পালিকাসমূহক ন্যায় প্ৰদান, আন্তঃৰাষ্ট্ৰীয় সমস্যাৰ সমাধান, প্ৰযুক্তি তথা দীৰ্ঘস্থায়ী উন্নয়ন আদিৰ লেখিয়া সাম্প্ৰতিক বিষয়সমূহক লৈ আলোচনা কৰাৰ সুবিধা প্ৰদান কৰাৰ লগতে ন্যায়িক খণ্ডৰ নেতৃস্থানীয় ব্যক্তিসকলৰ মাজত ভিন ভিন বিষয়ক লৈ পাৰস্পৰিক মত-বিনিময়ৰ পথ প্ৰশস্ত কৰিব।

০০০০

নেপাল আৰু তীব্বতত হঠাতে অহা প্ৰলয়ংকৰী বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৮২ হৈছে। নেপালৰ আৰক্ষী সূত্ৰই জনোৱা অনুসৰি চিটৱান অঞ্চলত ৩৫৯ গৰাকী ৰাছুৱাত ১৪০ গোৰ্খাত ৭২, ধাদিঙত ৬০ আৰু তানাহুত ৩৮ গৰাকী লোকৰ মৃত্যু হৈছে। কাঠমাণ্ডুৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দুগৰাকী লোকৰ মৃত্যু হয়। দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সূত্ৰ অনুসৰি কালি সন্ধিয়া পৰ্যন্ত ৫ হাজাৰ ৫৩ গৰাকী লোক নিৰুদ্দেশ হৈ থকাৰ তথ্য লাভ কৰা হৈছে। নেপাল চৰকাৰে নিহতসকলক চিনাক্ত কৰাৰ বাবে ডি এন এৰ পৰীক্ষা আৰম্ভ কৰিছে। ভোটেকোশি নদীৰ আকস্মিক বানৰ ফলত নেপালৰ ত্ৰিশূলী থ্ৰী এ জলবিদ্যুৎ প্ৰকল্পৰ সুৰংগত আৱদ্ধ হৈ থকা দুগৰাকী লোকক ১০ দিনৰ পাছত উদ্ধাৰকাৰী দলে জীৱন্তে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। নেপালৰ সেনা বাহিনীৰ জনসম্পৰ্কৰক্ষী সঞ্চালকালয়ৰ সূত্ৰ অনুসৰি সুৰংগটোৰ ভিতৰত শব্দ শুনাৰ পাছত উদ্ধাৰকাৰীসকলে অভিযান চলাই এই সফলতা লাভ কৰে। জৰুৰীকালীন দলসমূহে এতিয়ালৈকে ১২ হাজাৰৰো অধিক লোকক উদ্ধাৰ কৰিছে। বিগত মাহৰ ২৬ তাৰিখে নেপাল-তীব্বত সীমান্তৰ সমীপত হিমবাহ খহি পৰাৰ পাছত হোৱা আকস্মিক বানৰ ফলত নেপালৰ উত্তৰাঞ্চল আৰু মধ্য নেপালৰ ভালেমান অঞ্চল ধ্বংসস্তুপত পৰিণত হয়।

০০০০

উত্তৰ পূৰ্বাঞ্চলত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে চলা অভিযানৰ অংশ হিচাপে নিচাযুক্ত দ্ৰব্য নিয়ন্ত্ৰক সংস্থা অৰ্থাৎ নাৰ্কটিক কণ্ট্ৰোল ব্যুৰোৰ আগৰতলা শাখাই মিজোৰাম আৰু ত্ৰিপুৰাত দুটা পৃথক পৃথক অভিযানত প্ৰায় ১৭ কোটি ৮৪ লাখ টকাৰ ২২ কিলোগ্ৰাম মেটামফেটামাইন টেবলেট জব্দ কৰে। এই ঘটনাত ম্যানমাৰৰ এজন নাগৰিককে ধৰি ৪ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। সংস্থাৰ মিজোৰাম কাৰ্যালয়ে স্থানীয় আৰক্ষী আৰু অনুসন্ধান সংস্থাৰ সহযোগত জোখাওথাৰ - চাম্ফাই খণ্ডৰ ভাৰত ম্যানমাৰ সীমান্তৰ সমীপত ২ ছেপ্তেম্বৰৰ মাজনিশা অভিযান চলাই ম্যানমাৰৰ এজন নাগৰিকক গ্ৰেপ্তাৰ কৰে আৰু লগতে প্ৰায় এঘাৰ কোটি ৪১ লাখ মূল্যৰ মেটামফেটামাইন টেবলেট জব্দ কৰে। ত্ৰিপুৰাত কালি বিশ্ৰামগঞ্জৰ সমীপৰ এন চি পি আগৰতলা শাখাই এখন ডাম্পাৰৰ পৰা লুকুৱাই থোৱা অৱস্থাত প্ৰায়

৮ কিলোগ্ৰাম মেটামফেটামাইন টেবলেট জব্দ কৰে। এই ঘটনাত ত্ৰিপুৰাৰ ৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। নিচাযুক্ত ঔষধৰ নেটৱৰ্ক, আৰ্থিক সংযোগ আৰু উদ্দেশ্য প্ৰণোদিত গ্ৰাহকৰ সন্ধানত সংস্থাই অধিক তদন্ত চলাই আছে। নিচাযুক্ত দ্ৰব্য নিয়ন্ত্ৰক সংস্থাই নাগৰিকসকলক সকলো সময়তে উপলব্ধ টোল ফ্ৰি হেল্পলাইন নম্বৰ ১৯৩৩ ৰ জৰিয়তে ড্ৰাগছ্ সম্পৰ্কীয় যিকোনো তথ্য প্ৰকাশ কৰিবলৈ আহ্বান জনায়।

০০০০

ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মহিলা টি-টুৱেণ্টি এছিয়া কাপ ২০২৬ ৰ গ্ৰুপ বিৰ এখন খেলত আজি সংযুক্ত আৰব আমিৰ শ্বাহিয়ে ইন্দোনেছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা আঠ বজাৰ পৰা আৰম্ভ হ'ব। উল্লেখযোগ্য যে যোৱা নিশা ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে হংকঙৰ বিৰুদ্ধে ১০৭ ৰানৰ বৃহৎ জয়েৰে এছিয়া কাপৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ